**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ সৈতে নতুন দিল্লীত বাৰ্ষিক উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ'ব।

২। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ সন্দৰ্ভত ব্যাপক সন্মিলনৰ বাবে ভাৰতৰ দীৰ্ঘদিনীয়া প্ৰস্তাৱে পূৰ্ণ সমৰ্থন লাভ কৰিছে।

৩। চৰকাৰে উন্নয়নৰ সৈতে বহনক্ষমতাৰ সমতা স্থাপনৰ নীতিৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ সুনিশ্চিত কৰি জীৱন ধাৰণ সূচল কৰি তুলিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে প্ৰকাশ কৰিছে।

৪। বেংগালুৰুৰ মাদাপাট্‌না গাঁৱৰ এটা শিলৰ কুৱেৰীত সংঘটিত দুৰ্ঘটনাত সাতজন শ্ৰমিকে প্ৰাণ হেৰুৱায়।

আৰু

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১২ বজাত স্পেইন, অষ্ট্ৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ সৈতে নতুন দিল্লীত বাৰ্ষিক উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। এই আলোচনাই দুয়ো দেশক দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ চালিজাৰি চোৱাৰ লগতে সম্পৰ্ক অধিক শক্তিশালী কৰা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত মত বিনিময়ৰ সুযোগ দিব। আলোচনাকালত দেশ দুখনৰ মাজত কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। আজি ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকে।

উল্লেখযোগ্য যে তিনিদিনীয়া ভ্ৰমণসূচীৰে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকী কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়। এয়া প্ৰধানমন্ত্ৰী টাকাইচিৰ ভাৰতলৈ প্ৰথম চৰকাৰী ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই ভ্ৰমণে ভাৰত আৰু জাপানৰ বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্ব শক্তিশালী কৰাত সহায় কৰিব। উল্লেখযোগ্য যে ২০২৪ চনৰ নৱেম্বৰত টকিঅ' অনুষ্ঠিত প্ৰথম অৰ্থনৈতিক সুৰক্ষা বিষয়ক আলোচনাত দুয়ো দেশে কৌশলগত অংশীদাৰিত্ব বৃদ্ধিৰ ক্ষেত্ৰত পাঁচটা অগ্ৰাধিকাৰৰ ক্ষেত্ৰ চিনাক্ত কৰিছিল। এই ক্ষেত্ৰসমূহ আছিল ছেমি কণ্ডাক্টৰ, অত্যাৱশ্যকীয় খনিজ পদাৰ্থ, ভেষজ, স্বচ্ছ ইন্ধন, তথ্য আৰু যোগাযোগ প্ৰযুক্তি। শেহতীয়া প্ৰধানমন্তী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলনৰ সময়ত জাপানৰ প্ৰধানমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হৈছিল।

ooooooooo

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ সন্দৰ্ভত ব্যাপক সন্মিলনৰ বাবে ভাৰতৰ দীৰ্ঘদিনীয়া প্ৰস্তাৱে পূৰ্ণ সমৰ্থন লাভ কৰিছে। ৰাষ্ট্ৰসংঘৰ গোলকীয় সন্ত্ৰাসবাদ বিৰোধী ৰণনীতিৰ সন্দৰ্ভত নৱম পৰ্যালোচনাত ১৪০খন সদস্য-ৰাষ্ট্ৰই ভোটদান কৰে। বৈঠকত সদস্য-ৰাষ্ট্ৰসমূহক তিনি দশক পূৰ্বে ভাৰতে

আগবঢ়োৱা এই প্ৰস্তাৱ চূড়ান্ত কৰাৰ বাবে যাৱতীয় প্ৰচেষ্টা ল'বলৈ আহ্বান জনোৱা হয়। ৰাষ্ট্ৰসংঘৰ ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে কয় যে সমগ্ৰ বিশ্বই সন্মত হোৱা আইনী পৰিকাঠামো নোহোৱাৰ বাবে গোলকীয় সন্ত্ৰাসবাদ বিৰোধী প্ৰচেষ্টা এতিয়াও দুৰ্বল হৈ আছে। তেওঁ কয় যে সন্ত্ৰাসবাদ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত কোনো দ্বৈত স্থিতি থকাটো উচিত নহয়। আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ সন্দৰ্ভত ব্যাপক সন্মিলনে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, বিচাৰ প্ৰক্ৰিয়া আৰু প্ৰত্যাৰ্পন শক্তিশালী কৰাৰ লগতে সন্ত্ৰাসবাদৰ বাবে পুঁজি আৰু অস্ত্ৰ-শস্ত্ৰৰ যোগান দুৰ্বল কৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল আৰু আৰ্জেণ্টিনাই ইয়াৰ বিৰুদ্ধে ভোটদান কৰে।

০০০০০০০০০

চৰকাৰে উন্নয়নৰ সৈতে বহনক্ষমতাৰ সমতা স্থাপনৰ নীতিৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ সুনিশ্চিত কৰি জীৱন ধাৰণ সুচল কৰি তুলিছে বুলি কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি বৈদ্যুতিক সচলতা বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি কয়, যে চৰকাৰৰ এই নীতিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰিৱেশ আৰু অৰ্থনীতিৰ সম বিকাশৰ দৃষ্টিভংগীকেই প্ৰতিফলিত কৰে। তেওঁ কয়, যে দ্ৰুত ঔদ্যোগিক বিকাশ সত্বেও দেশত বনাঞ্চলৰ পৰিধি ২০১৪ চনৰ ৭ লাখ এহেজাৰ ৬৭৩ বৰ্গ কিলোমিটাৰৰ পৰা ৭ লাখ ১৫ হাজাৰ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি পাইছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰাক্তন স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী সন্দৰ্ভত সামাজিক মাধ্যমযোগে প্ৰচাৰিত ভিডিঅ'টো ভুৱা বুলি অভিহিত কৰিছে। উদ্দেশ্যপ্ৰণোদিতভাৱে পাকিস্তানৰ একাউণ্টৰ পৰা প্ৰচাৰিত ভিডিঅ'টো জেনেৰেল দ্বিবেদীয়ে প্ৰতিবাদকল্পে পদ ত্যাগ কৰা বুলি আৰু জেনেৰেল ধীৰাজ শেঠক দায়িত্ব অৰ্পণ কৰা বুলি দাবী কৰা হৈছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ তথ্য পৰীক্ষা গোটে প্ৰকাশ কৰা মতে ভিডিঅ'টো ডিপফেক প্ৰযুক্তিৰ সহায়ত কৃত্ৰিম বুদ্ধিমত্তাৰে প্ৰস্তুত কৰা হৈছে আৰু জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ উদ্দেশ্যে প্ৰচাৰ কৰা হৈছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ই এনে কোনো বিবৃতি দিয়া নাই বুলি স্পষ্ট কৰি দিছে। জেনেৰেল দ্বিবেদীৰ অৱসৰ গ্ৰহণৰ পাছত নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি নতুন স্থলসেনাধ্যক্ষ নিয়োগ কৰা হৈছে বুলি ব্যুৰ'ই প্ৰকাশ কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰীয় বৰ্ষা আধাৰিত অঞ্চল প্ৰাধিকৰণৰ পুঁজিৰে পৰিচালিত অসমৰ বনৰীয়া ধান সংৰক্ষণ প্ৰকল্পই গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিত উপনীত হৈছে। এই প্ৰকল্পৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য প্ৰাধিকৰণৰ দ্বাৰা শোণিতপুৰ জিলাৰ বৰজুলি ক্ষেত্ৰক জৈৱ বৈচিত্ৰ্য ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত কৰা হৈছে। IN-SITU CONSERVATION AND MANAGEMENT OF WILD RICE শীৰ্ষক এই প্ৰকল্পৰ জৰিয়তে বনৰীয়া ধানৰ প্ৰাকৃতিক বসতিস্থলত সংৰক্ষণৰ লক্ষ্য লোৱা হৈছে। ভাৰতৰ বনৰীয়া ধানৰ বৈচিত্ৰ্য সংৰক্ষণ আৰু জলবায়ু স্থিতিস্থাপক কৃষি প্ৰসাৰৰ দিশত এই স্বীকৃতি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অসম ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদৰ সহযোগত নতুন দিল্লীৰ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অন্তৰ্গত ৰাষ্ট্ৰীয় উদ্ভিদ জিনীয় সংসাধন ব্যুৰোৱে ২০২২ চনৰ পৰা এই প্ৰকল্পত কাম কৰি আহিছে।

০০০০০০০০০

বেংগালুৰুৰ দক্ষিণ তালুকৰ মাদাপাট্না গাঁৱৰ এটা শিলৰ কুৱেৰীত আজি সংঘটিত দুৰ্ঘটনাৰ ফলত সাতজন শ্ৰমিকৰ মৃত্যু হয়। কুৱেৰীটোৰ ওপৰৰ অংশৰ পৰা এটা বৃহৎ শিল আঁতৰাবলৈ চেষ্টা কৰাৰ সময়তে শিলটো কুৱেৰীৰ তলৰ অংশত কাম কৰি থকা শ্ৰমিককেইজনৰ ওপৰত বাগৰি পৰে। দুৰ্ঘটনাত আহতসকলক উদ্ধাৰ কৰি ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আৰক্ষীয়ে ইতিমধ্যে এই ঘটনা সংক্ৰান্তত এটা গোচৰ ৰুজু কৰিছে আৰু কুৱেৰীটোৰ মালিকৰ সন্ধান অব্যাহত ৰাখিছে। কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ড০ জি পৰমেশ্বৰে এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে। তেওঁ শ্ৰমিকসকলৰ সুৰক্ষা নিশ্চিত কৰাত ব্যৰ্থ হোৱা কুৱেৰীটোৰ মালিকৰ বিৰুদ্ধে যাৱতীয় ব্যৱস্থা লোৱা হ'ব বুলি জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

ooooooooo

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্হাই আজি পুৱা জম্মুৰ পৰা পতাকা জোকাৰি চলিত বৰ্ষৰ অমৰনাথ যাত্ৰাৰ প্ৰথমটো দল ৰাওনা কৰে। ইয়াৰ লগে লগে এই বাৰ্ষিক তীৰ্থযাত্ৰাও আনুষ্ঠানিকভাৱে আৰম্ভ হয়। এই উপলক্ষে সাংসদ যুগল কিশোৰ শৰ্মাই তীৰ্থযাত্ৰীসকলৰ যাত্ৰা সুকলমে সম্পন্ন হ'ব বুলি আশা প্ৰকাশ কৰে। জম্মু-কাশ্মীৰ বিধানসভাৰ বিৰোধী পক্ষৰ নেতা বিজেপিৰ সুনীল শৰ্মাইও তীৰ্থযাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, যে জম্মু-কাশ্মীৰ দেৱোত্তৰ পৰিষদে গ্ৰহণ কৰা ব্যৱস্থাই তীৰ্থযাত্ৰীসকলৰ যাত্ৰা সুচল কৰি তুলিব।

৫৭ দিনজোৰা এই যাত্ৰা বাৰ্ষিক কাইলৈ পৰম্পৰাগত পেহেলগাম পথেৰে আৰু বালতাল পথেৰে আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব আৰু ২৮ আগষ্টত সামৰণি পৰিব। যাত্ৰীসকলৰ থকা-খোৱা, অনাময়, স্বাস্থ্যসেৱা, পৰিবহণকে ধৰি সকলো দিশতে দৃষ্টি কৰা হৈছে। তীৰ্থযাত্ৰীসকলে ৪৪ নম্বৰ জম্মু-কাশ্মীৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে যাত্ৰা কৰিব লাগিব। বিকল্প পথ যেনে মোগল ৰোড আৰু ধাৰ ৰোডেৰে যাত্ৰাৰ সুবিধা দিয়া নহ'ব। পুৱা ৬ বজাৰ পৰা ৮ বজাৰ ভিতৰত লখনপুৰত উপস্থিত হোৱা যাত্ৰীসকলক সুৰক্ষাৰ সৈতে জম্মুলৈ আগবঢ়াই নিয়া হ'ব। আনহাতে পলমকৈ উপস্থিত হোৱা লোকসকলে নিৰাপত্তাজনিত নীতি-নিৰ্দেশনা মানি অপেক্ষা কৰিব লাগিব।

ooooooooo

ইউক্ৰেইনৰ ৰাজধানী কিইভৰ আবাসিক এলেকাত যোৱা নিশা ৰাছিয়াই ড্ৰোন আৰু ক্ষেপণাস্ত্ৰৰে চলোৱা আক্ৰমণত ১৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হয়। স্থানীয় সংবাদ মাধ্যমৰ তথ্য অনুসৰি বৃহস্পতিবাৰে নিশা চহৰখনৰ বিভিন্ন অংশৰ পৰা বিস্ফোৰণৰ শব্দ শুনিবলৈ পোৱা যায়। সমগ্ৰ চহৰখনত চাইৰেণৰ শব্দই আতংকৰ সৃষ্টি কৰাৰ লগতে বহুলোকে মেট্ৰ' ষ্টেচনত আশ্ৰয় লয়। কিইভৰ মেয়ৰ ভিতালী ক্লিটছক'ই জনোৱা মতে ড্ৰোনৰ আক্ৰমণত ছেণ্ট্ৰেল শ্বেভচেনক' বুলভাৰ্ডৰ এখন হোটেলৰ ছাদত অগ্নিসংযোগ হয়। এই সপ্তাহৰ আৰম্ভণিতে ইউক্ৰেইনে মস্কোত ড্ৰোন আক্ৰমণ চলোৱাৰ পাছতে ৰাছিয়াই যোৱা নিশা ড্ৰোন আৰু ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলায়।

ooooooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা ছান ফ্ৰান্সিক' বে' এৰিয়া ষ্টেডিয়ামত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত সহ-আয়োজক আমেৰিকাই বছনিয়া আৰু হাৰ্জেগোভিনাক 2-0 গ'লত পৰাস্ত কৰে। ২০০২ চনৰ পাছত আমেৰিকাই নকআউট পৰ্যায়ৰ

প্ৰথমখন খেলত জয়লাভ কৰিছে। প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত আন এখন খেলত বেলজিয়ামে ছেনেগালক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনৰ অতিৰিক্ত সময়ত বেলজিয়ামৰ যুৰী টাইলেমানছে পেনাল্টিৰ জৰিয়তে বিজয়সূচক গ'লটো দিয়ে।

ইয়াৰ পূৰ্বে, কালি নিশা আটলাণ্টাত অনুষ্ঠিত খেলত ইংলেণ্ডে কংগোক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনৰ অন্তিম ১৫ মিনিটত ইংলেণ্ডৰ হেৰি কেনে দুটাকৈ গ'ল দি দলৰ জয়ৰ সোৱাদ দিয়ে। অহা ৬ জুলাইত হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ড মেক্সিকোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত আজি নিশা চাৰে ১২ বজাত স্পেইন, অষ্ট্ৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অহা ২৫ জুলাইত কলকাতাত আৰম্ভ হ'ব। ২৩ আগষ্টলৈ চলিবলগীয়া এই প্ৰতিযোগিতাৰ খেলসমূহ ৰাঁচী, ইম্ফল, শ্বিলং আৰু গুৱাহাটীত অনুষ্ঠিত হ'ব। কলকাতাত উদ্বোধনী খেল অনুষ্ঠিত হোৱাৰ উপৰি বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণ আৰু কিশোৰ ভাৰতী ক্ৰীড়াংগণত দুখনকৈ কোৱাৰ্টাৰ ফাইনেল, এখন ছেমি ফাইনেল আৰু ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীত এইবাৰ প্ৰথমবাৰৰ ডুৰাণ্ড কাপৰ আয়োজন কৰা হৈছে। ৰাঁচীৰ বীৰছা মুণ্ডা ষ্টেডিয়ামত ২৬ জুলাইৰ পৰা ১৬ আগষ্টলৈ লীগ পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হোৱাৰ লগতে এখন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ইণ্ডিয়ান ছুপাৰ লীগ ক্লাবছ, আই লীগ ছাইডছ, ছাৰ্ভিচেছ দলকে ধৰি কেইবাটাও ঘৰুৱা আৰু বিদেশী দলে অংশ ল'ব। নতুনকৈ অৱতীৰ্ণ হ'বলগীয়া দলসমূহৰ ভিতৰত শ্ৰীলংকাৰ সশস্ত্ৰ বাহিনীৰ ডিফেণ্ডাৰ্ছ ফুটবল ক্লাব, মেঘালয়ৰ প্ৰিমিয়াৰ লীগৰ চেম্পিয়ন নংকেচ স্পৰ্টছ, ছ'চিয়েল এণ্ড কালচাৰেল ক্লাব অন্যতম।

ooooooooo

সমাপ্ত